# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 01-08-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ উত্তৰ প্ৰদেশৰ বাৰাণসী ভ্ৰমণৰ সময়ত, প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ কুৰি সংখ্যক কিস্তি হিচাপে ৯ কোটি ৭০ লাখৰো অধিক খেতিয়কলৈ চাৰে ২০ হাজাৰ কোটি টকা মোকলাই দিব।

২। বেংকিং সংশোধনী আইন ২০২৫ আজিৰে পৰা কাৰ্যকৰী হৈছে।

৩। ৰাজহুৱা খণ্ডৰ তেল বিপণন কোম্পানীসমূহে পহিলা জুলাই পৰ্যন্ত সমগ্ৰ দেশৰ খুচুৰা বিপণী আৰু ঘাইপথসমূহৰ দাঁতিত ৩৬৮টা বিশ্ৰাম ঘৰ নিৰ্মাণ কৰিছে ।

৪। নিৰ্বাচন আয়োগে বিশেষ বিস্তৃত সংশোধন উদ্যমৰ অধীনত আজি বিহাৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰিব।

*আৰু*

৫। ভাৰতৰ কেইবাগৰাকীও খেলুৱৈয়ে মাকঅ' অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ উত্তৰ প্ৰদেশৰ বাৰাণসী ভ্ৰমণৰ সময়ত, প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ কুৰি সংখ্যক কিস্তি হিচাপে ৯ কোটি ৭০ লাখৰো অধিক খেতিয়কলৈ চাৰে ২০ হাজাৰ কোটি টকা মোকলাই দিব। এই ভ্ৰমণ কালত শ্ৰীমোদীয়ে প্ৰায় দুহেজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। উদ্বোধন কৰিবলগীয়া প্ৰকল্পসমূহৰ ভিতৰত বাৰাণসী-ভদোহী পথৰ সম্প্ৰসাৰণ আৰু মোহন চৰায়-অদলপুৰা পথত যান-জঁট হ্ৰাস কৰাৰ বাবে নিৰ্মাণ কৰা চিটৌনি-শূল টংকেশ্বৰ পথ আৰু ৰে'ল অভাৰব্ৰীজ আছে।

ভ্ৰমণ কালত পৰ্যটন খণ্ডৰ প্ৰসাৰৰ বাবে শ্ৰীমোদীয়ে নদীৰ পাৰৰ ৮টা ঘাটৰ পুনৰ বিকাশ, কালিকা ধামৰ উন্নয়নমূলক কাম-কাজ আৰু দূৰ্গা কুণ্ডৰ পুনৰুদ্ধাৰ আৰু পানী পৰিষ্কাৰ প্ৰকল্প উদ্বোধন কৰিব। তেওঁলোকে কৰ্দমেশ্বৰ, মহাদেৱ মন্দিৰ, সাৰনাথ, ৰামনগৰ অঞ্চলত নগৰ সুবিধা কেন্দ্ৰৰ মেৰামতিৰ কাম, লমহীত মুন্সি প্ৰেম চন্দৰ পৈত্ৰিক বাসগৃহৰ পুনৰ বিকাশ আৰু ইয়াৰ সংগ্ৰহালয় হিচাপে উন্নীতকৰণৰ কামত আধাৰশিলা স্থাপন কৰিব। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰীয়ে ৫৩টা বিদ্যালয় ভৱনৰ উন্নীতকৰণ প্ৰক্ৰিয়াৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ পণ্ডিত মদন মোহন মালব্য কৰ্কট ৰোগ চিকিৎসা কেন্দ্ৰ আৰু হোমি ভাবা কৰ্কট ৰোগ হাস্পতালত ৰবটৰ দ্বাৰা অস্ত্ৰোপচাৰ আৰু চি টি স্কেনকে ধৰি অত্যাধুনিক চিকিৎসা আহিলাপাতি স্থাপনৰ কামো মুকলি কৰিব। শ্ৰীমোদীয়ে এখন হোমিঅ'পেথিক মহাবিদ্যালয় আৰু হাস্পতালৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০

বেংক ব্যৱস্থাত জমাকাৰী আৰু বিনিয়োগকাৰীৰ বাবে বৰ্ধিত সুৰক্ষা নিশ্চিত কৰা আৰু বেংকিং খণ্ডত শাসনবিধিৰ মান উন্নত কৰাৰ লক্ষ্যৰে আজিৰে পৰা বেংকিং সমশোধনী আইন ২০২৫ কাৰ্যকৰী হৈছে। বিত্ত মন্ত্ৰালয়ে কয় যে যোৱা ১৫ এপ্ৰিলত অধিসূচনা জাৰি কৰা এই আইনখনে ৰাজহুৱা খণ্ডৰ বেংকসমূহত নিৰীক্ষণৰ মান উন্নত কৰাৰ লগতে সমবায় বেংকসমূহত সঞ্চালকৰ কাৰ্যকাল বৃদ্ধিৰ বাবে চেষ্টা কৰিছে। এই সংশোধনৰ জৰিয়তে ১৯৬৮ চনৰ পৰা অপৰিৱৰ্তিত হৈ থকা সন্তোষজনক সুতৰ সীমা ৫ লাখ টকাৰ পৰা ২ কোটি টকালৈ পুনৰ সংজ্ঞায়িত কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ উপৰিও সমবায় বেংকসমূহত সঞ্চালকৰ কাৰ্যকালক ৯৭ সংখ্যক সাংবিধানিক সংশোধনীৰ সৈতে একাকাৰ কৰি সৰ্বোচ্চ কাৰ্যকাল ৮ৰ পৰা ১০ বছৰলৈ বৃদ্ধি কৰা হৈছে। এই সংশোধনীৰ জৰিয়তে ১৯৩৪ চনৰ ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, বেংকৰ নিয়ন্ত্ৰণ আইন ১৯৪৯, ভাৰতীয় ষ্টেট বেংক আইন ১৯৫৫, বেংকিং কোম্পানী আইন ১৯৭০ আৰু ১৯৮০ ৰ মুঠ ১৯টা নিয়মৰ সংশোধন কৰা হৈছে।

০০০০০

ৰাজহুৱা খণ্ডৰ তেল বিপণন কোম্পানীসমূহে পহিলা জুলাই পৰ্যন্ত সমগ্ৰ দেশৰ খুচুৰা বিপণী আৰু ঘাইপথসমূহৰ দাঁতিত ৩৬৮টা বিশ্ৰাম ঘৰ নিৰ্মাণ কৰিছে বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যমন্ত্ৰী সুৰেশ গোপীয়ে প্ৰকাশ কৰিছে। লোকসভাত কালি এটা লিখিত উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে, ট্ৰাক চালকসকলৰ সুৰক্ষা আৰু কল্যাণৰ বাবে চৰকাৰে তেওঁলোকৰ দুৰণিবতীয়া যাত্ৰা উন্নত কৰাৰ উদ্দেশ্যে অপনা ঘৰ উদ্যম আৰম্ভ কৰিছে। ট্ৰাক চালকসকলে এই উদ্যমক ভূয়সী প্ৰশংসা কৰা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

নিৰ্বাচন আয়োগে বিশেষ বিস্তৃত সংশোধন উদ্যমৰ অধীনত আজি বিহাৰত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰিব। খচৰা ভোটাৰ তালিকা প্ৰকাশৰ পূৰ্বে দিয়া এটা বাৰ্তাত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেচ কুমাৰে ভোটাৰ তালিকাৰ ভৌতিক আৰু ডিজিটেল প্ৰতিলিপি ৰাজ্যখনৰ ৩৮ খন জিলাত স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহক প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে বিহাৰৰ মুখ্য নিৰ্বাচনী বিষয়া আৰু ২৪৩ গৰাকী নিৰ্বাচনী বিষয়াই ভোটদাতা আৰু স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহক নিৰ্বাচন তালিকাৰ বিসংগতি তথা এই সন্দৰ্ভত কিবা আপত্তি থাকিলে তাক দৰ্শোৱাৰ সুযোগ দিব। আজিৰে পৰা পহিলা ছেপ্তেম্বৰলৈ ওজৰ-আপত্তি দাখিল কৰিব পৰা যাব। নিৰ্বাচন আয়োগে যোৱা ২৪ জুনত বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনৰ বাবে নীতি নিৰ্দেশনা জাৰি কৰিছিল। সকলো যোগ্য ভোটদাতাৰ নাম তালিকাত স্বচ্ছভাৱে অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ঘোষণা কৰা ২৫ শতাংশৰ আমদানী শুল্কৰ বাবে ভাৰতীয় বজাৰসমূহত ছহেজাৰ কোটি ডলাৰৰ লোকচান হোৱা হেঁতু ভাৰতত বিত্তীয় জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে বুলি পাকিস্তানৰ পৰা চলোৱা অপপ্ৰচাৰ চৰকাৰে খাৰিজ কৰিছে। প্ৰেছ ইনফৰমেচন ব্যুৰ' পি আই বিৰ তথ্য পৰীক্ষা গোটে এই দাবীক বিভ্ৰান্তিকৰ আৰু ভুৱা বুলি অভিহিত কৰিছে। পি আই বিয়ে

দেশত বিত্তীয় জৰুৰী অৱস্থা ঘোষণা কৰা হোৱা নাই বুলি স্পষ্ট কৰি দিছে। পি আই বিয়ে লগতে জনসাধাৰণৰক সতৰ্ক হৈ থাকিবলৈ আৰু নিৰ্ভৰযোগ্য তথ্যৰ বাবে আনুষ্ঠানিক সূত্ৰৰ ওপৰতহে ভৰসা কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

ooooo

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয় যে ইলন মাস্ক নেতৃত্বাধীন ষ্টাৰলিংকে ভাৰতত চেটেলাইট ইন্টাৰনেট সেৱা আৰম্ভ কৰাৰ অনুজ্ঞাপত্ৰ লাভ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ম'বাইল কনক্লেভত ভাষণ দি মন্ত্ৰীগৰাকীয়ে বিগত ১১ বছৰত ভাৰতৰ ডিজিটেল যাত্ৰাক অসাধাৰণ বুলি অভিহিত কৰে। তেওঁ কয় যে যোৱা দশকত দুৰ্গম গাঁৱৰ পৰা মেট্ৰ' চহৰলৈকে ডিজিটেল সেৱাৰ প্ৰৱৰ্তনে নাগৰিকসকলক অধিক সবল কৰি তুলিছে আৰু ভাৰতক সুলভ আৰু সৰ্বাংগীন প্ৰযুক্তিৰ ক্ষেত্ৰত বিশ্বৰ আগশাৰীৰ দেশ হিচাপে গঢ়ি তুলিছে। তেঁও লগতে কয় যে দেশত এতিয়া ১.২ বিলিয়ন টেলিফোন সংযোগ আছে আৰু ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা ২৮৬ শতাংশ বৃদ্ধি পাই ৯৭ কোটি হৈছে। মোবাইল ডাটা সেৱাৰ খৰচ ৯৬.৬ শতাংশ হ্ৰাস পোৱাৰ লগে লগে ভাৰত বিশ্বৰ ভিতৰতে সুলভ মুল্যত ইন্টাৰনেট সেৱা প্ৰদানকাৰী দেশ হিচাপে পৰিগণিত হৈছে। সিন্ধিয়াই লগতে কয় যে 5G নেটৱৰ্ক সেৱা দেশৰ ৯৯.৬ শতাংশ জিলাত উপলব্ধ হৈছে আৰু ৩০ কোটি গ্ৰাহকে ৪লাখ ৭৪হাজাৰ 5G টাৱাৰৰ জৰিয়তে ইয়াৰ সুবিধা লাভ কৰিছে। তেওঁ লগতে জনাইছে যে ভাৰতী গ্ৰুপ সমৰ্থিত ইউটেলছেট ৱানৱেব আৰু জিঅ' এছ ই এছেও উপগ্ৰহ ভিত্তিক যোগাযোগ সেৱা আৰম্ভ কৰিবলৈ স্পেকট্ৰম আবণ্টনৰ বাবে অপেক্ষা কৰি আছে। মন্ত্ৰীগৰাকীয়ে চৰকাৰী টেলিকম কোম্পানী বিএছএনএলক পুনৰুজ্জীৱিত কৰি ৮৩ হাজাৰৰো অধিক 4G নেটৱৰ্ক ক্ষেত্ৰ স্থাপন কৰা হৈছে বুলিও উল্লেখ কৰে।

ooooo

লণ্ডণৰ কেনিংটন অভেলত অনুষ্ঠিত এণ্ডাৰ্ছন তেণ্ডুলকাৰ ট্ৰফী  টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত ভাৰত বিপৰ্যৰ সন্মুখীন হৈছে। খেলৰ কালি প্ৰথমদিনা ভাৰতে কৰুণ নায়াৰৰ অৰ্ধ শতকৰ সহায়ত ৬টা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ২০৪ ৰাণ সংগ্ৰহ কৰে। ছাই সুদৰ্শনে ৩৮ ৰাণৰ বৰঙণি আগবঢ়ায়। দিনান্তত কৰুণ নায়াৰে ৫২ আৰু ৱাশ্বিংটন সুন্দৰে ১৯ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। নায়াৰ আৰু সুন্দৰৰ যুটীয়ে ৮৮টা বলত ৫১ ৰান সংগ্ৰহ কৰে। খেলুৱৈ দুগৰাকীয়ে আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব। ইংলেণ্ডৰ হৈ গ'ছ এট্‌কিংছন আৰু জোচ টঙে দুটাকৈ উইকেট দখল কৰে। খেলখনত বৰষুণে দুবাৰকৈ বিধি পথালি দিয়ে যদিও খেলৰ সময় কিছু বৃদ্ধি কৰা আৰু কালিৰ দিনটোত মুঠ ৬৪ অভাৰৰ খেল হয়। ইয়াৰ পূৰ্বে ইংলেণ্ড টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ভাৰত সম্প্ৰতি শৃংখলাত ১-২ ফলাফলত পিছ পৰি আছে।

ooooo

ভাৰতৰ কেইবাগৰাকীও খেলুৱৈয়ে মাকঅ' অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। পুৰুষৰ ছিংগলছত কালি তৰুণ মন্নেপল্লিয়ে হংকঙৰ লি ছেউক যুক ১৯-২১, ২১-১৪, ২২-২০ গেমত পৰাভূত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। তৰুণ আজি কোৱাৰ্টাৰ ফাইনেলত চীনৰ হু ঝে এনৰ সন্মুখীন হ'ব। একেদৰে লক্ষ্য সেনে ইন্দোনেছিয়াৰ চিকো আৰা দ্বি ৱাৰ্ৰডোয়োক ২১-১৪, ১৪-

২১, ২১-১৭ গেমত পৰাভূত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। লক্ষ্য সেন আজি কোৱাৰ্টাৰ ফাইনেলত চীনৰ ঝু ঝে ঝুআনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, পুৰুষৰ ডাবলছত ভাৰতৰ শীৰ্ষ বাছনিপ্ৰাপ্ত সাত্বিকসাইৰাজ ৰণকিৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীটোৱে জাপানৰ কাকেৰু কুমাগাই আৰু হিৰোকি নিশ্বিক পৰাভূত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ভাৰতীয় যুটীটো আজি কোৱাৰ্টাৰ ফাইনেলত মালেয়েছিয়াৰ ছুং হোন জিয়ান আৰু মহম্মদ হায়কলৰ সন্মুখীন হ'ব।

০০০০০

এথেনচত কালি অনুষ্ঠিত ১৭ বছৰ অনুৰ্ধ বিশ্ব মল্লযুঁজ চেম্পিয়নশ্বিপ ২০২৫ত ভাৰতীয় মহিলা মল্লযুঁজাৰুসকলে দুটা সোণ, দুটা ৰূপ, আৰু এটা ব্ৰঞ্জসহ মুঠ পাঁচটা পদক লাভ কৰে। ভাৰতৰ হৈ ৰাচানাই চীনৰ ছিন হুয়াঙৰ বিৰুদ্ধে মহিলাৰ ৪৩ কেজি ফ্ৰীষ্টাইল শাখাত ৩-০ফলাফলেৰে প্ৰথমটো সোণৰ পদক লাভ কৰে। অশ্বিনি বিষ্ণোইয়ে ৬৫ কেজি শাখাত উজবেকিস্তানৰ মুখায়ো ৰাখিমজোনোভাক ৩-০ ফলাফলত পৰাস্ত কৰি দ্বিতীয়টো সোণৰ পদক লাভ কৰ। ৫৭ কেজি শাখাত কাজাখাস্তানৰ মাডখিয়া উছমানোভাৰ হাতত ৫-৬ ফলাফলত পৰাজয়বৰণ কৰাৰ ফলত মনিয়ে ৰূপৰ পদকতে সন্তুষ্ট হ'বলগীয়া হয়। ভাৰতৰ হৈ ৭৩ কেজিৰ ফাইনেলত শক্তিশালী যুঁজ দি চীনৰ ৰেনজিন কিউৰ হাতত পৰাস্ত হোৱা কাজলে দ্বিতীয়টো ৰূপৰ পদক লাভ কৰে। ৪৯ কেজি শাখাত কোমল ভাৰ্মাই আনহেলিনা বুৰ্কিনাক ৮-৩ ফলাফলত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০

**সমাপ্ত**